## Assamese  Department, Nonoi College.

**Drama Presented By Orihana Natya Bidyalaya /13th January,2020**

### নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৰিহণা নাট্য বিদ্যালয় নাট্যানুষ্ঠান
### ১৩ জানুৱাৰি ২০২০

'শিশুৰ কল্পনাশক্তিৰ বিকাশত প্ৰকৃতিৰ ভূমিকা অপৰিসীম । প্ৰকৃতিৰ ৰূপ-ৰস-গন্ধ-স্পৰ্শৰ প্ৰতি সদা উন্মুখ আৰু অনুভৱী কৰি তুলিব পাৰিলে শিশুসকলৰ নাট্য প্ৰতিভাক সৃজনীশীল ৰূপত গঢ় দিব পাৰি ।" নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ব্যৱস্থাপনাত আৰু নৈ অঞ্চলৰ ৰাইজৰ সহযোগত প্ৰতিষ্ঠা হোৱা অৰিহণা নাট্য বিদ্যালয়ৰ ১ম ষান্মাসিকৰ শিশু প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা নিবেদিত নাট্যানুষ্ঠানৰ মঞ্চ শুভ উদ্বোধন কৰি নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড০ সদানন্দ পায়েঙে এইদৰে কয়  । ১৩ জানুৱাৰি ২০২০ তাৰিখে সন্ধ্যা ৫.১৫ বজাৰ পৰা অনুষ্ঠিত নাট্যানুষ্ঠানৰ প্ৰাৰম্ভণিতে প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা অংকিত চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰি অৰবিন্দ ডেকাই কয় যে শিশুসকল  ফুলৰ দৰে সুকোমল । দেশৰ ভৱিষ্যৎ । ৰং তুলিকাৰ উপৰি বিভিন্ন দিশেৰে সুন্দৰৰ সাধনাত তেওঁলোকক ব্ৰতী কৰাবলৈ সুস্থ পৰিৱেশৰ প্ৰয়োজন । নৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে নাট্য বিদ্যালয়খনৰ যোগেদি অঞ্চলটিত সেই পৰিৱেশ গঢ়ি তুলিবলৈ যত্নবান হৈছে । এয়া আদৰণীয় পদক্ষেপ । নৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মা,নৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কলিতা,তেজপুৰৰ সাংস্কৃতিক কৰ্মী তথা যুৱ ব্যৱসায়ী ৰিজুমণি বৰুৱা আৰু নগাঁও বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত বিষয় শিক্ষক যোগেশ্বৰ শইকীয়াই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে । অৰিহণা নাট্য বিদ্যালয়ৰ ছাত্ৰী শিক্ষিতা দেৱীয়ে মহাপুৰুষ মাধৱদেৱ বিৰচিত এটি বৰগীত, প্ৰায় ৩০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ "জ্যোতি শঙ্খ" কবিতা আবৃত্তি আৰু ভূপেন হাজৰিকাৰ গীতৰ আধাৰত সৃষ্টিশীল নৃত্য পৰিৱেশন,পৰিৱেশ সুৰক্ষা বিষয়ক মূকাভিনয় আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ তেজীমলা,তীথৰ আৰু চুটি বাই সাধুকথা আৰু বুৰ্বক চাকৰ শীৰ্ষক অনুবাদ গল্প(মূল হিন্দী)ৰ আধাৰত ৰচিত নাটক "ওফাইদাঙৰ আদিপাঠ"ৰ অভিনয়ৰে প্ৰায় তিনি শতাধিক দৰ্শকক মোহাচ্ছন্ন কৰি ৰাখে । অনুষ্ঠানটিত পৰ্যবেক্ষক ৰূপে উপস্থিত থাকি বিশিষ্ট নাট্যকাৰ-পৰিচালক বিশ্বজিৎ বৰঠাকুৰ আৰু নৈ অঞ্চলৰ প্ৰবীন অভিনেতা তথা শিক্ষক মহেশ বৰাই শিশু প্ৰশিক্ষাৰ্থীসকলৰ প্ৰতিভাৰ শলাগ লয় । অৰিহণা নাট্য বিদ্যালয়ৰ মুখ্য প্ৰশিক্ষক, শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক তথা ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়(দিল্লী)ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা মনোজ শইকীয়া, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়(চিকিম)ৰ স্নাতক সুস্মিতা শইকীয়া(নাট্য প্ৰশিক্ষক),নগাঁৱৰ যুৱ নাট্য কৰ্মী শোণিত কুমাৰ বৰা(মূকাভিনয় প্ৰশিক্ষক) নৃত্য বিশাৰদ মানস বৰা(নৃত্য প্ৰশিক্ষক), অভিনেতা-আবৃত্তিকাৰ দ্বয় পুলক গোস্বামী আৰু ড০ বসন্ত বৰাৰ তত্বাৱধানত শিশু প্ৰশিক্ষাৰ্থীসকলে ক্ৰমে নাট্য-নৃত্য-আবৃত্তিৰ প্ৰশিক্ষণ গ্ৰহণ কৰে । "চুম্বক" নাটকৰে অসমৰ ভ্ৰাম্যমাণ নাট্যজগতত খোজ দিয়া উদীয়মান নাট্যকাৰ ; চান্দমাৰীৰ চান্দিনী,মৰমৰ ঘৰ আদি জনপ্ৰিয় ধাৰাবাহিকৰ চিত্ৰনাট্যকাৰ-সুঅভিনেতা

উদীয়মান নাট্যকাৰ ; চান্দমাৰীৰ চান্দিনী,মৰমৰ ঘৰ আদি জনপ্ৰিয় ধাৰাবাহিকৰ চিত্ৰনাট্যকাৰ-সুঅভিনেতা তথা নাট্য বিদ্যালয়খনৰ অন্যতম উপদেষ্টা প্ৰণৱ বৰুৱাই সন্মানীয় অতিথি ৰূপে উপস্থিত থাকি গ্ৰাম্য এলেকাৰ শিশুসকলৰ বাবে এইদৰে পাঠ্যক্ৰম ভিত্তিক নাট্য প্ৰশিক্ষণৰ পৰিৱেশ গঢ়া উদ্যোক্তাসকলৰ কষ্টসাধ্য আন্তৰিক প্ৰচেষ্টাক ধন্যবাদ জনাই । নাট্য বিদ্যালয়খনৰ সচিব তথা নৰ্তে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰা আৰু পৰিচালনা সমিতিৰ সদস্য পুলক গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত নাট্য বিদ্যালয়ৰ সমন্বয়ক পংকজ ভট্টাচাৰ্য,সন্মানীয় সদস্য প্ৰমোদ বৰা, ৰমেশ ভূঞা প্ৰমুখ্যে অভিভাৱকসকল,নৰ্তে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা,কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল তথা স্থানীয় বহু গণ্য-মান্য ব্যক্তিৰ সহৃদয় উপস্থিতিয়ে অনুষ্ঠানটিক সুকীয়া মাত্ৰা প্ৰদান কৰে।

# Assamese Department, Nonoi College.

**Drama Presented By Orihana Natya Bidyalaya /13th January,2020**

## Photographs:




**Felicitation of guest**




**Drama Presented by Trainee**